# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-07-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। অসম ৰাজ্যিক কৃষি বিপণন পৰিষদৰ কৰ্মচাৰীসকলক স্বেচ্ছামূলক অৱসৰ দিয়াৰ সিদ্ধান্ত গ্ৰহণ ৰাজ্যিক কেবিনেটৰ।

২। ৰাজ্যৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৮৪ লৈ বৃদ্ধি। ২৭ খন জিলাৰ ১৪ লাখতকৈ অধিক লোক এতিয়াও বানৰ কবলত।

৩। নতুন দিল্লীত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগশাৰীৰ অৰ্থনীতিবিদসকলৰ সৈতে মত-বিনিময়।

৪। ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু ইকুৱেডৰৰ গোঞ্জালো এস্কোবাৰৰ যুঁটীয়ে ব্ৰাৱো অ'পেন চেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

**আৰু**

৫। পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত জিম্বাব'ৱেক ২৩ ৰাণত পৰাস্ত ভাৰতৰ।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি জনতা ভৱনত অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকে অসম ৰাজ্যিক কৃষি বিপণন পৰিষদৰ কৰ্মচাৰীসকলক স্বেচ্ছামূলক অৱসৰ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি বৈঠকখনৰ অন্তত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এখন সংবাদমেলত এই সিদ্ধান্তৰ বিষয়ে সদৰী কৰে। উল্লেখযোগ্য যে, ৰাজ্যিক কৃষি বিপণন পৰিষদখন স্বনিৰ্ভৰশীল হ'ব নোৱাৰাৰ পৰিপ্ৰেক্ষিতত ২০২০ চনৰ পৰা পৰিষদৰ কৰ্মচাৰীসকলে নিয়মীয়াকৈ দৰমহা লাভ কৰা নাই বুলি এইকথা প্ৰকাশ কৰে। এনে পৰিপ্ৰেক্ষিতত পৰিষদৰ ৬১২ গৰাকী নিয়মীয়া কৰ্মচাৰীক স্বেচ্ছামূলক অৱসৰ আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ বাবাদ অসম চৰকাৰৰ ১৩০ কোটি টকা ব্যয় কৰা হ'ব। লগতে চৰকাৰৰ দ্বাৰা সদিচ্ছামূলক উদগণি হিচাপে নিষ্পত্তিৰ পৰিমাণৰ উপৰি এই পেকেজত অতিৰিক্ত ১০ শতাংশ প্ৰদান কৰা হ'ব। ফলত একোজন নিয়মীয়া কৰ্মচাৰীয়ে ২০ৰ পৰা ২৫ লাখকৈ টকা লাভ কৰিব। সেইদৰে পৰিষদখনত কৰ্মৰত ১৩১ গৰাকী ঠিকাভিত্তিক কৰ্মচাৰী আৰু ১৬ গৰাকী ফিক্সড পে' কৰ্মচাৰীকো স্বেচ্ছামূলক অৱসৰ দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ যিসকলে ১০ বছৰ বা তাতোকৈ কম সময় কৰ্মৰত হৈ আছে তেওঁলোকে ৫ লাখ টকা, ১০ৰ পৰা ১৫ বছৰ কৰ্মৰত কৰ্মচাৰীসকলে ৫ লাখ ৫০ হাজাৰ আৰু ১৫ বছৰ বা তদোধিক সময় কৰ্মৰত কৰ্মচাৰীসকলে ৬ লাখ টকাকৈ লাভ কৰিব। একেদৰে ফিক্সড পে'ত কৰ্মৰত ১৬ গৰাকী কৰ্মচাৰীৰ যিসকলে ১০ বছৰৰ কম কাম কৰিছে তেঁওলোক একলাখ ৭৫ হাজাৰ টকা, ১০ৰ পৰা ১৫ বছৰ কৰ্মৰত কৰ্মচাৰীসকলে একলাখ ৯৩ হাজাৰ আৰু ১৫ বছৰৰ অধিক সময় কৰ্মৰত কৰ্মচাৰীসকলে ২ লাখ ১০ হাজাৰ টকাকৈ লাভ কৰিব। উল্লেখযোগ্য যে, এই আঁচনিত সৰ্বমুঠ ১৫৫ কোটি টকা ব্যয় কৰা হ'ব।

আনহাতে কালিৰ কেবিনেট বৈঠকত ২০১৬-১৭ চনত ৰাজ্য চৰকাৰে আৰম্ভ কৰা **আপোন ঘৰ** আঁচনিৰ অধীনত প্ৰদান কৰা ঋণৰ পৰিমাণ ৩০ লাখ টকালৈ বৃদ্ধি কৰিছে বুলি শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে প্ৰকাশ কৰে।

মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, এই আঁচনিৰ অধীনত ইতিমধ্যে ৩৭ হাজাৰ ২৭৭ গৰাকী কৰ্মচাৰীয়ে ঋণ লৈছে। **আপোন ঘৰ** আঁচনিৰ অধীনত পূৰ্বে ১৫ লাখ টকাকৈ এই কৰ্মচাৰীসকলে মুঠ ৫ হাজাৰ ৬৬৩ কোটি টকা ঋণ লৈছিল। এতিয়াৰ পৰা কৰ্মচাৰীসকলে ৩০ লাখ টকা পৰ্যন্ত ঋণ ল'ব পাৰিব আৰু ইয়াৰ এক শতাংশকৈ সুদ ৰাজ্য চৰকাৰে আদায় দিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

ৰাজ্যখনত বান পৰিস্থিতি কিছু উন্নত হ'লেও ৰাজ্যখনৰ ২৭খন জিলাৰ ১৪ লাখতকৈ অধিক লোক এতিয়াও বানৰ কবলত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি এতিয়াও ৯০টা ৰাজহ চক্ৰৰ ২ হাজাৰ ৭০০ ৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত পুনৰ ৫ জন লোকে প্ৰাণ হেৰুওৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৮৪ লৈ বৃদ্ধি পাইছে। ইফালে ২৪০টা আশ্ৰয় শিবিৰত ৪৮ হাজাৰতকৈ অধিক বন্যাৰ্তই আশ্ৰয় লৈ আছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বানৰ ফলত মৃত্যু হোৱা বন্যপ্ৰাণীৰ সংখ্যা ১৬৩ লৈ বৃদ্ধি পাইছে। আনহাতে ১৩৫টা বন্যপ্ৰাণী উদ্ধাৰ কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখন কৰ্তৃপক্ষই প্ৰকাশ কৰা তথ্য অনুসৰি ৯টা গঁড়, ১৩৫টা পহুকে ধৰি মুঠ ১৬৩টা বন্যপ্ৰাণীৰ বানপানীত মৃত্যু হৈছে। উদ্যানখনৰ ২৩৩টা বন শিবিৰৰ ভিতৰত ৫১টা বন শিবিৰ বানৰ কবলত আছে। এই বানৰ ফলত উদ্যানখনৰ ভিতৰত কেইবাখনো দলং ভাঙি পৰাৰ সমান্তৰালকৈ কিছুসংখ্যক জীৱকূল কাৰ্বি পাহাৰৰ পৰা পুনৰ উদ্যানলৈ উভতি আহিছে বুলি জিলা বন বিষয়া অৰুণ ভিগনেছে প্ৰকাশ কৰিছে।

ইপিনে বৰপেটা জিলাৰ কলগাছিয়াৰ কৰাৰকুৰত বেঁকী নদীৰ পানীয়ে খহাই নিয়া ২ নম্বৰ ৰাজ্যিক ঘাইপথটো পুনৰ যানবাহন চলাচলৰ বাবে মুকলি কৰি দিয়া হৈছে। অৱশ্যে মাত্ৰ দুচকীয়া আৰু চাৰিচকীয়া বাহনকহে যাতায়াতৰ অনুমতি প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে ৫ দিন পূৰ্বে পথটোৰ এটা বৃহৎ অংশ কাষেৰে বৈ যোৱা নদীয়ে খহাই নিছিল।

oooooooo

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

oooooooo

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে এইবুলি স্পষ্ট কৰি দিছে যে চিকিৎসা মহাবিদ্যালয়লৈ উন্নীত কৰা বৰ্তমানৰ জিলা আৰু ৰেফাৰেল চিকিৎসালয়সমূহে কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি লাভ কৰি যাব। কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰই এই সন্দৰ্ভত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। স্বাস্থ্য মন্ত্ৰালয়ে কৈছে যে অনুমোদিত

১৫৭খন চিকিৎসা মহাবিদ্যালয়ৰ ভিতৰত ১০৮খন ইতিমধ্যে কাৰ্যক্ষম হৈ উঠিছে। অনুমোদিত মহাবিদ্যালয়সমূহৰ ভিতৰত ৪০খন অভিলাষী জিলাত অৱস্থিত। মন্ত্ৰালয়ে কৈছে যে ২০১৪ চনত জিলা চিকিৎসালয়সমূহক শক্তিশালী আৰু উন্নত কৰি নতুন চিকিৎসা মহাবিদ্যালয় খোলাৰ কেন্দ্ৰীয় পৃষ্ঠপোষকতাত এখন আঁচনি মুকলি কৰা হৈছিল। মন্ত্ৰালয়ে কৈছে যে চৰকাৰে চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধিৰ হকে প্ৰয়াস চলাই আছে। বৰ্তমান দেশত ৭০৬খন চিকিৎসা মহাবিদ্যালয় আছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত আগশাৰীৰ অৰ্থনীতিবিদসকলৰ সৈতে মত-বিনিময় কৰিব। শ্ৰীমোদীয়ে আসন্ন কেন্দ্ৰীয় বাজেট সন্দৰ্ভত তেওঁলোকৰ পৰা দিহা-পৰামৰ্শ ল'ব। অৰ্থনীতিবিদৰ উপৰি বিভিন্ন ক্ষেত্ৰত বিশেষজ্ঞসকলে এই বৈঠকত অংশগ্ৰহণ কৰিব। বৈঠকত নীতি আয়োগৰ উপাধ্যক্ষ সুমন বেৰি আৰু অন্য সদস্যসকলেও ভাগ ল'ব।

সংসদৰ বাজেট অধিবেশন ২২ জুলাইত আৰম্ভ হ'ব আৰু ২৩ জুলাইত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে বাজেট উত্থাপন কৰিব। এয়া নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট হ'ব। যোৱা মাহত অনুষ্ঠিত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এইবাৰৰ বাজেট চৰকাৰৰ দূৰগামী নীতি আৰু ভৱিষ্যত দৃষ্টিভংগীৰ ফলপ্ৰসূ নথি হ'ব বুলি মন্তব্য কৰিছিল। তেওঁ লগতে বাজেটত গুৰুত্বপূৰ্ণ অৰ্থনৈতিক আৰু সামাজিক সিদ্ধান্তৰ লগতে ভালেমান ঐতিহাসিক পদক্ষেপ দেখিবলৈ পোৱা যাব বুলি কৈছিল। লোকসভা নিৰ্বাচনৰ বাবে যোৱা ফেব্ৰুৱাৰীত অন্তৰৱৰ্তীকালীন বাজেট দাখিল কৰা হৈছিল।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ অষ্ট্ৰিয়া ভ্ৰমণক ঐতিহাসিক আৰু যথেষ্ট ফলপ্ৰসূ বুলি অভিহিত কৰিছে। তেওঁ লগতে এই ভ্ৰমণে দুয়ো দেশৰ মাজৰ বন্ধুত্ব এনাজৰী অধিক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ ভিয়েনাত ভিন ভিন অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ পাই সুখ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে চেন্সেলৰ কাৰ্ল নেহমৰ, অষ্ট্ৰিয়াৰ চৰকাৰ আৰু জনসাধাৰণক তেওঁলোকৰ মৰম আৰু আতিথ্যৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

ভিয়েনাত চেন্সেলৰ নেহমৰৰ সৈতে হোৱা আলোচনাৰ অন্তত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰত আৰু অষ্ট্ৰিয়াই দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক কৌশলগত সম্পৰ্কলৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে পাৰস্পৰিক সহযোগিতা অধিক শক্তিশালী কৰাৰ সম্ভাৱনা চিনাক্ত কৰি উলিয়াইছে। অষ্ট্ৰিয়াৰ চেন্সেলৰ সৈতে জাৰি কৰা এটা যুটীয়া বিবৃতিত শ্ৰীমোদীয়ে কয় যে তেওঁ ইউক্ৰেইনৰ সংঘৰ্ষ আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিসহ বিশ্বৰ সাম্প্ৰতিক ভূ-ৰাজনৈতিক স্থিতিৰ বিষয়ে বিশদভাৱে আলোচনা কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে ভাৰত আৰু অষ্ট্ৰিয়াই আন্তঃগাঁথনি উন্নয়ন, উদ্ভাৱন, নবীকৰণযোগ্য শক্তি, হাইড্ৰজেন, পানী আৰু আৱৰ্জনা ব্যৱস্থাপনা, কৃত্ৰিম বুদ্ধিমত্তা আৰু কোৱাণ্টাম প্ৰযুক্তিৰ লেখিয়া ক্ষেত্ৰসমূহত একেলগে কাম কৰিব আৰু অনাগত দশকসমূহত সহযোগিতাৰ বাবে পৰিকল্পনাও প্ৰস্তুত কৰি উলিয়াইছে। শ্ৰীমোদীয়ে লগতে কয় যে অষ্ট্ৰিয়াক আন্তঃৰাষ্ট্ৰীয় সৌৰজোঁট, বিপৰ্যয়তো তিস্তি থাকিব পৰা আন্তঃগাঁথনি জোঁট আৰু জৈৱ ইন্ধন জোঁটত যোগদান কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছে।

০০০০০০০০

দক্ষতা, নিয়োগ আৰু উদ্যমিতা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি  টাটা টেকন'লজি, টাটা ষ্টীল তথা লোকনিৰ্মাণ বিভাগৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ৰাজ্যত দক্ষতা বিকাশ উন্নত কৰাৰ উদ্দেশ্যে টাটা টেকন'ল'জিৰ সহযোগত ৬১ খন পলিটেকনিক্ তথা আই টি আই প্ৰতিষ্ঠানক উৎকৰ্যতাৰ কেন্দ্ৰলৈ উন্নীত কৰা হৈছে। এইসমূহৰ ভিতৰত ৫ খন প্ৰতিষ্ঠান ইতিমধ্যে মুকলি কৰা হৈছে। বৈঠকত বাকী থকা ৫৬

খন প্ৰতিষ্ঠানৰ প্ৰগতি পৰ্যালোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে সদৰি কৰিছে যে অহা ১৫ আগষ্টৰ পূৰ্বে ছখন পলিটেকনিক আৰু ১৭ খন আই টি আইকে ধৰি ২৩ খন প্ৰতিষ্ঠান মুকলি কৰা হ'ব।

০০০০০০০০

মীন মন্ত্ৰী কেশৱ মহন্তই কালি ৰহাৰ অসম কৃষি বিশ্ববিদ্যালয়ত ৰাজ্য চৰকাৰৰ মীন বিভাগ তথা নাবাৰ্ডৰ সহযোগত মীন মহাবিদ্যালয়ে আয়োজন কৰা ৰাষ্ট্ৰীয় মীন পালক দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ৰাজ্যত মীন পালনৰ ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়োৱা কেইবাগৰাকীও ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। তদুপৰি কৃষকসকলৰ মাজত কেইবাবিধো মাছৰ পোনা বিতৰণ কৰা হয়। মন্ত্ৰীগৰাকীয়ে কয় যে গ্ৰামীণ অৰ্থনীতিৰ বিকাশত মীন খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যক মীন পালনৰ ক্ষেত্ৰত আত্ম-নিৰ্ভৰশীল কৰি গঢ়ি তোলাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০০

সাংসদ পৰিমল শুক্লবৈদ্যই কালি কাছাৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ প্ৰতিনিধিৰ সৈতে এখন পৰ্যালোচনামূলক বৈঠকত মিলিত হয়। বৈঠকত বিভিন্ন প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লোৱা হয়। সাংসদগৰাকীয়ে সকলো প্ৰকল্প সময়মতে সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কাছাৰ জিলাৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত পথ আন্তঃগাঁথনি প্ৰকল্প সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়।

০০০০০০০০

কৃষি মন্ত্ৰী অতুল বৰা কালি জনতা ভৱনত কৃষি বিভাগ তথা অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত শস্য উৎপাদনৰ সমীক্ষা সম্পৰ্কীয় বিভিন্ন দিশ আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত বান প্ৰভাৱিত অঞ্চলসমূহৰ কৃষকসকলক ক্ষতিপূৰণ দিয়াৰ বাবে সঠিক তথ্য সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে লগতে অসম কৃষি আয়োগৰ অধ্যক্ষ তথা কেইবাগৰাকীও সদস্যৰ সৈতে বৈঠকত মিলিত হয়। তেওঁলোকে ৰাজ্যৰ কৃষি তথা আনুসংগিক খণ্ডসমূহৰ সৈতে সম্পৰ্ক থকা বিভিন্ন গুৰুত্বপূৰ্ণ দিশ সন্দৰ্ভত মত বিনিময় কৰে।

০০০০০০০০

বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কালি সমাগত অমৃত বৃক্ষ আন্দোলন, ২০২৪ সন্দৰ্ভত এখন বৈঠকত অধ্যক্ষতা কৰে। জনতা ভৱনত আয়োজিত এই বৈঠকখনত সংশ্লিষ্ট সকলো বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছা তথা পৰিষদৰ অধ্যক্ষ মহেৎ হোজাইকে ধৰি কেইবাগৰাকীও বিষয়াৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত পৰিষদৰ অধীনৰ অঞ্চলসমূহৰ আন্তঃগাঁথনি উন্নয়নকে ধৰি শৈক্ষিক পৰিৱেশ আৰু এই সম্পৰ্কীয় অন্যান্য দিশ সন্দৰ্ভত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ অধীনৰ অঞ্চলসমূহত শৈক্ষিক বিকাশ ত্বৰান্বিত কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

কৰিমগঞ্জ আৰক্ষীয়ে কালি সন্ধিয়া মালুৱা কান্দিগ্ৰাম অঞ্চলত অভিযান চলাই এজন যুৱকৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। গোপন তথ্যৰ ভিত্তিত চলোৱা এই অভিযানত উদ্ধাৰ হোৱা মাদক দ্ৰব্যখিনিৰ মূল্য আনুমানিক ২ কোটি টকা বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। বদৰপুৰ আৰক্ষীয়ে অভিযুক্তৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি জেৰা অব্যাহত

ৰাখিছে। আজি যুৱকজনক আদালতত হাজিৰ কৰা হ'ব। ইপিনে, গোলাঘাট আৰক্ষীয়েও কালি সৰুপথাৰত অভিযান চলাই মাদক দ্ৰব্য সৰবৰাহকাৰী এটা দলক আটক কৰে। সৰবৰাহকাৰী দলটোৰ পৰা আৰক্ষীয়ে হেৰ'ইন জব্দ কৰে। এই ঘটনাৰ সৈতে জড়িত তিনিটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীয়ে তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে এই মাদকদ্ৰব্যখিনি এখন চুবুৰীয়া ৰাজ্যৰ পৰা অনা হৈছিল। হেৰ'ইনখিনিৰ আনুমানিক মূল্য ৩ কোটি টকা বুলি জানিব পৰা গৈছে।

oooooooo

ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু ইকুৱেডৰৰ গোঞ্জালো এস্কোবাৰৰ যুটীটোৱে জাৰ্মানীৰ ব্ৰৌংশ্বিগত অনুষ্ঠিত ব্ৰাৱো অ'পেন চেলেঞ্জাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। শীৰ্ষ বাছনিপ্ৰাপ্ত শ্ৰীৰাম আৰু গোঞ্জালোৰ যুটীটোৱে কালি বিয়লি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত বলিভিয়াৰ বোৰিছ এৰিয়াছ আৰু ফেডেৰিকো জেবাল'ছৰ যুটীটোক ৬-৩, ৬-০ পোনপটীয়া চেটত পৰাস্ত কৰে। শ্ৰীৰাম আৰু গোঞ্জালোৰ যুটীটো আজি সন্ধিয়া কোৱাৰ্টাৰ ফাইনেলত ব্ৰাজিলৰ মাৰ্ছেলো ডেমোলিনৰ আৰু আৰ্জেণ্টিনাৰ গুইলেৰ্মো ডুৰানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে, ভাৰতৰ আন এগৰাকী খেলুৱৈ সুমিত নাগল পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আৰ্জেণ্টিনাৰ পেড্ৰো কেচিনৰ হাতত ৪-৬, ৫-৭ ছেটত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

oooooo

ভাৰতে কালি হাৰাৰে স্প'ৰ্টছ ক্লাবত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত জিম্বাব'ৱেক ২৩ ৰাণত পৰাস্ত কৰে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ'ভাৰত চাৰিটা উইকেট হেৰুৱাই ১৮২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ য়শস্বী জয়ছোৱালে ২৭ টা বলত ৩৬ ৰান, শুভমন গীলে ৪৯ টা বলত ৬৬ ৰান আৰু ৰুতুৰাজ গাইকোৱাডে ২৮ টা বলত ৪৯ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত জিম্বাবুৱে নিৰ্ধাৰিত অভাৰত ৬ টা উইকেটৰ বিনিময়ত ১৫৯ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ লগে লগে ভাৰতে শৃংখলাত ২-১ ফলাফলেৰে অগ্ৰগতি লাভ কৰিছে।

oooooo

ইংলেণ্ড, ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ডৰ্টমণ্ডত কালি অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ডে নেডাৰলেণ্ডছক ২-১ গ'লত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। দলটোৰ হৈ অংলি ৱাটকিনছে নিৰ্ণায়ক গ'লটো দিয়ে। ইংলেণ্ড দলৰ অধিনায়ক হেৰি কেনে খেলৰ প্ৰথমাৰ্ধত প্ৰথমটো গ'ল কৰে। নেডাৰলেণ্ডছৰ হৈ জাৰি ছাইমনছে একমাত্ৰ গ'লটো দিয়ে। অহা ১৫ জুলাইত হ'বলগীয়া  ফাইনেলত ইংলেণ্ড স্পেইনৰ মুখামুখি হ'ব।

oooooo

**ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতিৰ বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন কাকতেই প্ৰথম পৃষ্ঠাত স্থান দিছে।**

**ধৰ্মগুৰু দালাই লামাৰ স্মৃতি বিজড়িত শোণিতপুৰ মিছামাৰীৰ লামা কেম্পৰ ৪১ হেক্টৰ মাটি ভাৰতীয় সেনাই কালি ৰাজ্যৰ বন বিভাগক আনুষ্ঠানিকভাৱে প্ৰদান কৰাৰ বাতৰিক দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।**

মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত ৰাজ্যিক কেবিনেটে কৰ্মচাৰীৰ আপোন ঘৰ আঁচনিৰ ঋণ ৩০ লাখলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ছালাজাৰ পিট ভাইপাৰ নামৰ এবিধ নতুন প্ৰজাতিৰ সাপ উদ্ধাৰ হোৱাৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ বিশিষ্ট অৰ্থনীতিবিদ, চিন্তাশীল লেখক, নিবন্ধকাৰ ড০ অনিল শইকীয়াৰ দেহাৱসানৰ বাতৰিক **দৈনিক জনমভূমিকে** প্ৰমুখ্য কৰি প্ৰায়কেইখন কাকতেই প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দি আছাম ট্ৰিবিউন** কাকতে *MUSLIM WOMEN LIKE OTHERS ENTITLED TO ALIMONY: SUPREME COURT* শিৰোনামেৰে দেশৰ বিবাহ বিচ্ছেদিত মুছলমান মহিলাসকলৰ স্বামীৰ পৰা ভৰণপোষণ লাভৰ অধিকাৰ আছে বুলি উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দ্যা চেন্টিনেল** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

চিকিৎসাধীন অৱস্থাত এটি কণমানি কন্যা শিশুৰ আকস্মিক মৃত্যুৰ ঘটনাক লৈ কালি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হোৱাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে **আমাৰ অসম** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

আবকাৰী কেলেংকাৰীৰ গোচৰ সন্দৰ্ভত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ বিৰুদ্ধে বিধি বলৱৎকাৰী সঞ্চালকালয়ে কালি অভিযোগনামা দাখিল কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**২১** জুলাইৰ পৰা **৩১** জুলাইলৈকে নতুন দিল্লীত হ'বলগীয়া ইউনেস্কোৰ ৪৬ সংখ্যক অধিৱেশনত চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যদা লাভৰ সম্ভাৱনাৰ বাতৰিক **দ্যা চেন্টিনেল কাকতে** প্ৰথম পৃষ্ঠাত স্থান দিছে। আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে-

1. প্ৰধানমন্ত্ৰীৰ সংগ্ৰহালয়ৰ আৰ্হিত অসমত স্থাপন হ'ব মুখ্যমন্ত্ৰীৰ সংগ্ৰহালয়
2. কৃষি বিপণনৰ কৰ্মচাৰীৰ স্বেচ্ছামূলক অৱসৰত অনুমোদন আদি।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০

সমাপ্ত